# আগমনিৰ পঞ্চায়তে পঞ্চায়তে অৰুণোদয়ৰ হিতাধিকাৰীৰ ভিৰ

আগমনি ঃ এজন সংবাদদাতা, ২১ মাৰ্চ ঃ ধুবুৰী জিলাৰ আগমনি উন্নয়ন খণ্ডৰ অন্তৰ্গত কেইবাখনো গাঁও পঞ্চায়তৰ কাৰ্যালয়ত প্ৰতিবাদত নামিল একাংশ মহিলা। অৰুণোদয় আঁচনিৰ প্ৰ-পত্ৰ প্ৰদানৰ ক্ষেত্ৰত দুৰ্নীতি আৰু অনিয়ম হোৱাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদ কৰে মহিলাসকলে। সোণাখুলি গাঁও পঞ্চায়তভো অৰুণোদয়ৰ হিতাধিকাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, প্ৰ-পত্ৰ বিচাৰি আহি হাৱাশাস্তি ভুগিছে মহিলাসকলে। জানিব পৰা মতে, গাঁও পঞ্চায়তখনৰ অন্তৰ্গত ৫৪ নং বুথৰ প্ৰ-পত্ৰ দিবলৈ বাধা দিছিল জিলা প্ৰশাসনে। আজি গাঁও পঞ্চায়তত উপস্থিত হৈ এই খবৰ লাভ কৰাৰ পিছতে ৫৪নং বুথৰ মহিলাসকলে প্ৰতিবাদত নামে। কেৱল ৫৪ নং বুথতেই নহয়, আন বুথসমূহৰ প্ৰ-পত্ৰ দিয়াত বাধা দিয়ে প্ৰতিবাদকাৰী মহিলাসকলে। ফলত প্ৰ-পত্ৰ প্ৰদান কৰা বন্ধ কৰি দিয়ে গাঁও পঞ্চায়তৰ কৰ্তৃপক্ষই।

## পৰ্যবেক্ষক সমিতিৰ বিৰুদ্ধে গুৰুতৰ

# বঙাইগাঁৱত 'অৰুণোদয়'ৰ

বঙাইগাঁও এজন সংবাদদাতা, ২১ মাৰ্চ ঃ অসম চৰকাৰৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনী প্ৰক্ৰিয়াত ব্যাপক অনিয়ম আৰু খামখেয়ালীৰ অভিযোগ উঠিছে। ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেশ্যনৰ বঙাইগাঁও-চিৰাং জিলা কমিটীয়ে এই অনিয়মৰ কথা উল্লেখ কৰি জিলা আয়ুক্তৰ ওচৰত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। জিলা কমিটীৰ সভাপতি ৰকিবুল ইছলাম আকন্দ আৰু সম্পাদক শুভংকৰ ঘোষৰ নেতৃত্বত ১০জনীয়া এটা সঁজাতী দলে স্থানীয় কিছু লোকৰ উপস্থিতিত এই স্মাৰক-পত্ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত দাখিল কৰে। জিলা আয়ুক্তৰ হৈ জিলা উন্নয়ন আয়ুক্তই এই স্মাৰক-পত্ৰ গ্ৰহণ কৰে। অৰুণোদয় আঁচনিৰ মূল উদ্দেশ্য হৈছে ৰাজ্যখনৰ অৰ্থনৈতিকভাৱে দুৰ্বল মহিলাসকলক আৰ্থিক সহায় আগবঢ়োৱা। কিন্তু, বঙাইগাঁও জিলাৰ পৰ্যবেক্ষক সমিতিয়ে এই আঁচনিৰ হিতাধিকাৰী বাছনি কৰোঁতে যথেষ্ট খামখেয়ালী আৰু অনিয়ম সংঘটিত কৰিছে। জিলাখনৰ বিশেষকৈ ১, ২, ৩ নং জাৰাগুৰী, নাচনকুৰী, গৰাইমাৰী, হাপাছাৰা, ১, ২ নং গাৰুগাঁও আদি গাঁৱত এই অনিয়ম পৰিলক্ষিত হৈছে। বিধবা, বিবাহ বিচ্ছেদিত, অবিবাহিত, স্বামীৰ পৰা পৃথকে থকা আৰু বিশেষভাৱে সক্ষম মহিলাসকলক প্ৰাধান্য দি হিতাধিকাৰী বাছনি কৰাৰ পৰিৱৰ্তে, ঘৰত চাৰিচকীয়া বাহন, ফ্ৰীজ, ট্ৰেক্টৰ আদিৰ দৰে সুবিধা থকা আৰু চাকৰি থকা পৰিয়ালৰ মহিলাসকলকো এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। ইয়াৰ উপৰি, একেটা পৰিয়ালৰ পৰা একাধিক হিতাধিকাৰী বাছনি কৰাৰ ঘটনাও দেখা গৈছে বুলি অভিযোগ আনে। জিলাখনৰ হাপাছাৰা গাঁও পঞ্চায়তৰ ১০নং ৱাৰ্ডত পূৰ্বৰ

# কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ত ভাৰতীয় জ্ঞান প্ৰণালী বিষয়ক আলোচনা-চক্ৰ



সৰ্থেবাৰী ঃ এজন সংবাদদাতা, ২১ মাৰ্চ ঃ বৰপেটা জিলাৰ নসত্ৰ কৃষ্ণগুৰু সেৱাশ্ৰমৰ অন্তৰ্গত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ত আজিৰ পৰা দুদিনীয়াকৈ 'উত্তৰ-পূব ভাৰতৰ পৰম্পৰাগত স্বাস্থ্যসেৱা প্ৰথাৰ বিশেষ প্ৰসংগৰ সৈতে ভাৰতীয় জ্ঞান প্ৰণালী' শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনা-সত্ৰৰ আৰম্ভ হয়। কৃষ্ণগুৰু শিক্ষা পৰিষদৰ অধ্যক্ষা কুন্তলা পাটোৱাৰী গোস্বামীয়ে আদৰণী ভাষণ দিয়া অনুষ্ঠানত বীজ ভাষণ প্ৰদান কৰে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ ভাৰতীয় জ্ঞান ব্যৱস্থা কেন্দ্ৰৰ প্ৰাক্তন সহ-সঞ্চালক অনুৰাগ দেশপাণ্ডেই। অনুৰাগ দেশপাণ্ডেই কয় যে ভাৰতীয় জ্ঞান পৰম্পৰা প্ৰাচীন কালৰ পৰা ভাৰতীয় লোকসকলৰ দ্বাৰা নিৰ্মাণ কৰা নীতি-নিয়ম, আচাৰ-বিচাৰ, চিকিৎসা ব্যৱস্থাৰ ওপৰত আমি ভাৰতীয় হিচাপে গৌৰৱ অনুভৱ কৰিব লাগে। আমাৰ ঋষি-মুনিসকলৰ দ্বাৰা লিখি থৈ যোৱা বেদ, উপনিষদ, পুৰাণ আদি ধৰ্মগ্ৰন্থৰ দ্বাৰাই আমাক জীৱনত চলি যাব পৰা সকলো কথাই লিখি থৈ গৈছে। আমি কেৱল অধ্যয়ন কৰিব লাগে। আমাৰ পুৰণা গ্ৰন্থসমূহত থকা উপাদানসমূহ বেলেগ দেশৰ মানুহে অলপ সুন্দৰকৈ সজাই পৰাই আমাকেই বিক্ৰী কৰি আহিছে। আমি ভাৰতবৰ্ষত জন্ম লৈছোঁ যেতিয়া আমি গৌৰৱ অনুভৱ কৰিব লাগে। ভাৰতীয় লোক-সংস্কৃতি আৰু ভাৰতীয় শব্দ ব্যৱহাৰ কৰিব লাগে। আমি সদায় সংস্কাৰী হ'ব লাগে। আমাৰ ভাৰতীয় সংস্কৃতিয়ে আমাক সংস্কাৰী হ'বলৈ শিকাইছে। ভাৰতীয় লোকসকলৰ মাজত এক বিশেষ শক্তি আছে, সেইটো হ'ল সহ্য কৰিব পৰা আৰু ধৈৰ্য ধৰিব পৰা শক্তি। আমি আধ্যাত্মিক চিন্তা শক্তিৰে আগবাঢ়ি যাব লাগিব। অনুষ্ঠানত ওড়িশাৰ শ্ৰী শ্ৰী বিশ্ববিদ্যালয়ৰ ভাৰতীয় জ্ঞান ব্যৱস্থা কেন্দ্ৰৰ সঞ্চালক ভৰত দাসে বিশেষ বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত থাকে বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা কৃষ্ণগুৰু সেৱাশ্ৰমৰ গুৰুজনা গুৰুকৃষ্ণ প্ৰেমানন্দ প্ৰভু, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মোহন চন্দ্ৰ কলিতা, পঞ্জীয়ক ড° মুকুন্দ শৰ্মা, শৈক্ষিক পঞ্জীয়ক ড° মৃণাল বৰা প্ৰমুখ্যে বিশ্ববিদ্যালয়সমূহক আৰু বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা গৱেষক আৰু সন্মিলনত অংশগ্ৰহণকৰীসকল।

## আংগাৰকাটাত পথ দুৰ্ঘটনা

বগৰীবাৰী ঃ এজন সংবাদদাতা, ২১ মাৰ্চ ঃ আজি বিয়লিৰ ভাগত পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী থানাৰ অধীনৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ আংগাৰকাটাত ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, বগৰীবাৰীৰ সমীপৰ আংগাৰকাটাত তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত থিতাতে নিহত হয় এটি ফুলকুমলীয়া শিশু। ঘটনাস্থলীত বগৰীবাৰী আৰক্ষী উপস্থিত হৈ উদ্ধাৰ কৰে শিশুটিৰ মৃতদেহ। অৱশ্যে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰে তীব্ৰ বেগী ডাম্পাৰখনে। নিহত কিশোৰজন আংগাৰকাটা গাঁৱৰ অপিয়াল সেখৰ ন বছৰীয়া পুত্ৰ ইউছুৰ আলী বুলি জানিব পৰা গৈছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি পথটোত তীব্ৰবেগী অ'ভাৰলোড ডাম্পাৰৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ

## জিলা আয়ুক্তক স্মা

# মাটিয়া লৈ ৰ

ধুবুৰী ঃ নিজা প্ৰতিবেদক, ২১ মাৰ্চ দিনলৈকে গৌৰীপুৰ ৰাজপৰিয়ালৰ মাটি বাটোৱাৰা নহয়, সিমান গৌৰীপুৰ মাটিয়াবাগ হাৱাখানা মহল কাম স্থগিত ৰাখিব লাগে।'— এ গৌৰীপুৰ ৰাজপৰিয়ালৰ সদস্যা মৌচু ৰয়ৰ। আজি গৌৰীপুৰত অনুষ্ঠি সংবাদমেলত তেওঁ এইদৰে কয়। যে ৰাজপৰিয়ালৰ মাটি বাটোৱাৰা

পঞ্চায়ত নিৰ্বাচনক লৈ তৎপৰ কংগ্ৰেছ-এ আই ইউ ডি এফ